ISSN : 2347-7180

(A Bilingual Research Journal Indexed in UGC-CARE List)

# DOGO RANGSANG

Research Journal, Vol.: X :: Issue: XX :: July, 2023

# দগো ৰাংছাং

CHIEF EDITOR (HON.) : Dr. Upen Rabha Hakacham
EDITORS (HON.) : Dr. Lalit Chandra Rabha
: Dr. Dhaneswar Kalita

Dogo Rangsang Research Journal
(A Bilingual Research Journal
Indexed in UGC-CARE List)

ISSN : 2347-7180
Vol. X, Issue XX, July, 2023

# জিতুমণি বৰাৰ জননী উপন্যাসত 'কা' আন্দোলনৰ প্ৰতিচ্ছবি

● ভূপেন গগৈ
গৱেষক, আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।
e-mail: bgogoi1991@gmail.com, ফোন ঃ ৯১০১৬-৯০৫৯৫
● ড° হেমন্ত ডেকা
সহযোগী অধ্যাপক, অসমীয়া বিভাগ, বি এইচ কলেজ, হাউলী।
ফোন ঃ ৯৮৫৪৩-৩৫৮৪৮

**সংক্ষিপ্তসাৰ ঃ** *একবিংশ শতিকাৰ অসম তথা ভাৰতবৰ্ষৰ ৰাজনৈতিক ইতিহাসৰ এক অত্যন্ত গুৰুত্বপূৰ্ণ ৰাজনৈতিক পৰিঘটনা হৈছে— নাগৰিকত্ব (সংশোধনী) আইন, ২০১৯ বা চমুকৈ 'কা' আন্দোলন। নাগৰিকত্ব (সংশোধনী) আইন, ২০১৯ৰ বিৰোধিতাৰে হোৱা এই আন্দোলন প্ৰথমতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত আৰম্ভ হৈ পৰৱৰ্তী পৰ্যায়ত সমগ্ৰ ভাৰতবৰ্ষতে বিয়পি পৰি এক ব্যাপক গণজাগৰণৰ সূচনা কৰিলে। এই আইনখনৰ বিৰোধিতাৰে হোৱা প্ৰতিবাদৰ ছবি অসমীয়া সাহিত্যতো প্ৰকাশ ঘটিল। তেনে এখন ৰচনা হৈছে- জিতুমণি বৰাৰ উপন্যাস 'জননী'। এই উপন্যাসখনত 'কা' আন্দোলনৰ সময়ছোৱাত উদ্ভৱ হোৱা অসমৰ ছাত্ৰসমাজ তথা অসমীয়া মানুহৰ স্থিতি, আন্দোলনে আনি দিয়া পৰিস্থিতিসমূহৰ প্ৰতি এই লোকসকলৰ প্ৰতিক্ৰিয়া, শাসনাধিষ্ঠিত চৰকাৰ আৰু ৰাজনৈতিক দলৰ ভূমিকা, অসমৰ দল-সংগঠনৰ ভূমিকা, সংবাদমহলৰ ভূমিকা ইত্যাদি কলাত্মক ৰূপত অংকন কৰাৰ চেষ্টা কৰিছে। সেয়ে আমাৰ গৱেষণা পত্ৰখনত বৰাৰ জননী উপন্যাসখনত প্ৰতিফলিত হোৱা 'কা' আন্দোলনৰ প্ৰতিচ্ছবি স্পষ্ট কৰাৰ প্ৰয়াস কৰা হৈছে।*

**বীজ শব্দ ঃ** *উপন্যাস, জননী, 'কা' আন্দোলন, 'কাল' আইন, ছাত্ৰসমাজ।*

## ০.০০ অৱতৰণিকা ঃ

**০.০১ বিষয়ৰ চমু পৰিচয় ঃ** ৰাজনীতি মানুহৰ অস্তিত্বৰ এক অপৰিহাৰ্য উপাদান। ব্যক্তিগতভাৱেই হওক বা সামাজিকভাৱে হওক, আমাৰ জীৱনৰ প্ৰতিটো স্তৰতে ৰাজনীতিৰ উপস্থিতি প্ৰত্যক্ষ কৰা যায়। ক্ষমতা, কৰ্তৃত্ব, নিয়ন্ত্ৰণ আৰু প্ৰভাৱৰ মাজেৰে ৰাজনীতিৰ ব্যাপকতা অনুভৱ কৰা যায়। ৰাজনীতিৰ পৰিসীমাই কেৱল শাসন-প্ৰশাসনকেন্দ্ৰিক প্ৰক্ৰিয়াতে সীমিত নহৈ আধুনিক জীৱনচৰ্যাৰ সৈতে সম্পৰ্কিত সকলো বিষয়কে সামৰি লয়। সমাজ জীৱনত ৰাজনীতিৰ এই বিশেষ অৱস্থিতিৰ বাবেই ই সাহিত্যৰো অপৰিহাৰ্য উপাদান হৈ পৰে। কাৰণ সাহিত্যত প্ৰতিবিম্বিত হয় সমাজ-জীৱনৰ ৰূপ বৈচিত্ৰ্য। ব্যক্তি জীৱন বা সমাজ জীৱনৰ লগত সংশ্লিষ্ট সকলো দিশেই সাহিত্যই নিজৰ পৰিসৰৰ মাজত সামৰি লয়। যাৰ ফলস্বৰূপে মানৱ সমাজৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক দিশৰ সকলো ধনাত্মক আৰু ঋণাত্মক দিশৰ ইতিহাস সাহিত্যত প্ৰতিভাত হয়। সেয়ে ব্যক্তি আৰু সমাজ জীৱনৰ লগতে আমি সাহিত্যতো ৰাজনৈতিক চিন্তা, দৰ্শন, চেতনা, দৃষ্টিভংগীৰ প্ৰাধান্য পোৱা দেখিবলৈ পাওঁ। ৰাছিয়ান লেখক লিও টলষ্টয়ৰ ৱাৰ এণ্ড

হিচ বিশ্ব সাহিত্যত ৰাজনৈতিক চিন্তা-দৰ্শনক পৰিভাষিত কৰা উৎকৃষ্ট নিদৰ্শন বুলি ক'ব পাৰি। সাহিত্যৰ ভিন্ন ৰূপৰ ভিতৰত ব্যক্তি বা সমাজ জীৱনক এক ব্যাপ্ত বা পূৰ্ণ ৰূপত প্ৰতিফলন কৰাত উপন্যাসেই উৎকৃষ্ট মাধ্যম হিচাপে পৰিগণিত হোৱা দেখা। য'ত ঔপন্যাসিকজনে ব্যক্তি বা সমাজ জীৱনক কল্পনাৰ ৰহনেৰে কাহিনীৰ ৰূপত অংকন কৰি সমাজৰ ভিন্ন দিশক তুলি ধৰা লগতে নিজৰ দৃষ্টিভংগী, বাৰ্তা, মতাদৰ্শকো উপস্থাপন কৰে। সাহিত্যিকগৰাকী যিহেতু সমাজৰ পৰা বিচ্ছিন্ন নহয়, সেয়েহে সমাজত সংঘটিত ঘটনা প্ৰৱাহৰ দ্বাৰা প্ৰভাৱিত হৈ সমাজৰ প্ৰতি দায়বদ্ধতাক বহন কৰি সাহিত্যিকসকলে ইয়াৰ প্ৰতিক্ৰিয়া স্বৰূপে নিজৰ মত শৈল্পিক ৰূপত প্ৰকাশ কৰে। সেয়ে বিশ্বত সংঘটিত গুৰুত্বপূৰ্ণ ঘটনা বা কাহিনীৰ আলমত বিশ্বৰ চুকে-কোণে বিভিন্ন সাহিত্য ৰচিত হোৱা দেখা যায়।

একবিংশ শতিকাৰ অসম তথা ভাৰতবৰ্ষৰ ৰাজনৈতিক ইতিহাসৰ এক অত্যন্ত গুৰুত্বপূৰ্ণ ৰাজনৈতিক পৰিঘটনা হৈছে— 'কা' (CAA- Citizenship Amendment Act, 2019) আন্দোলন। এই আন্দোলন প্ৰথমতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত আৰম্ভ হৈ পৰৱৰ্তী পৰ্যায়ত সমগ্ৰ ভাৰতবৰ্ষতে বিয়পি পৰি এক ব্যাপক গণজাগৰণৰ সূচনা কৰিলে। বিজেপি নেতৃত্বাধীন চৰকাৰখনে ২০১৯ চনৰ ১০ ডিচেম্বৰ আৰু ১১ ডিচেম্বৰত ক্ৰমে লোকসভা আৰু ৰাজ্যসভাত সংখ্যাগৰিষ্ঠতাৰ ভিত্তিত নাগৰিকত্ব (সংশোধনী) বিধেয়ক, ২০১৬ অনুমোদন কৰি ৰাষ্ট্ৰপতিৰ স্বাক্ষৰৰ জৰিয়তে আইনৰ ৰূপ দিয়ে।[১] নাগৰিকত্ব (সংশোধনী) বিধেয়ক, ২০১৬ সংসদত উত্থাপন হোৱা দিনাৰ পৰা আইনত পৰিণত হোৱালৈকে এই আইনখনৰ বিৰোধিতাৰে অসমৰ খিলঞ্জীয়া মানুহখিনিয়ে প্ৰতিবাদ কৰা পৰিলক্ষিত হ'ল। এই প্ৰতিবাদৰ সামগ্ৰিক চিত্ৰ অসমীয়া সাহিত্যতো প্ৰকাশ ঘটিল। কাহিনী সাহিত্যৰ জৰিয়তে এই আন্দোলনৰ উদ্দেশ্য আৰু আনুষংগিক বিষয় উপস্থাপন কৰি 'কা' আন্দোলনৰ সময়ছোৱাৰ অসমৰ ৰাজনৈতিক-সামাজিক প্ৰেক্ষাপটক অংকন কৰাৰ প্ৰয়াস কৰা এখন উল্লেখযোগ্য উপন্যাস হৈছে সাংবাদিক জিতুমণি বৰাৰ *জননী*। বৰাই সাংবাদিকতাৰ জৰিয়তে লাভ কৰা অভিজ্ঞতা আৰু 'কা' আন্দোলনৰ সময়ত আহৰণ কৰা প্ৰত্যক্ষ অভিজ্ঞতাৰ ভিত্তিত *জননী* উপন্যাসৰ কাহিনী নিৰ্মাণ কৰিছে।[২]

আমাৰ গৱেষণা পত্ৰখনত *জননী* উপন্যাসখনত জিতুমণি বৰাই 'কা' আন্দোলনৰ প্ৰতিচ্ছবি কেনেদৰে অংকন কৰিছে সেয়া স্পষ্ট কৰাৰ চেষ্টা কৰা হৈছে। লগতে ঔপন্যাসিকে 'কা' আন্দোলনৰ প্ৰতিচ্ছবি অংকন কৰাৰ ক্ষেত্ৰত আন্দোলনৰ কাৰক তথা ৰাজনৈতিক-সামাজিক প্ৰেক্ষাপটৰ অন্যান্য দিশসমূহক কেনেদৰে অৱতাৰণা কৰিছে আৰু এই ক্ষেত্ৰত তেওঁ কিমান নিৰপেক্ষতা অৱলম্বন কৰিছে সেই সম্পৰ্কেও স্পষ্ট ধাৰণা দিয়াৰ প্ৰয়াসেৰে এক বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱাৰ চেষ্টা কৰা হৈছে।

**০.০২ অধ্যয়নৰ গুৰুত্ব ঃ**

এই অধ্যয়নৰ জৰিয়তে 'কা' আন্দোলনটোৰ সমসাময়িক অসমৰ সামাজিক-ৰাজনৈতিক পৰিমণ্ডলৰ বহু নতুন তথ্য উন্মোচিত হোৱাৰ লগতে এই আন্দোলনৰ সময়ছোৱাত অসমীয়া মানুহৰ স্থিতি, আন্দোলনে আনি দিয়া পৰিস্থিতিসমূহৰ প্ৰতি প্ৰতিক্ৰিয়া, চৰকাৰ আৰু ৰাজনৈতিক দলৰ ভূমিকা, অসমৰ দল-সংগঠনৰ ভূমিকা, সংবাদ মহলৰ ভূমিকা ইত্যাদি দিশো উন্মোচিত হ'ব। যিবোৰ সমাজতাত্ত্বিক দৃষ্টিকোণৰ পৰা মূল্যায়ন কৰাৰ প্ৰয়োজনতা আছে। এই মূল্যায়নে অসমীয়া উপন্যাস সাহিত্যকো সমৃদ্ধ কৰিব।

**০.০৩ অধ্যয়নৰ উদ্দেশ্য ঃ**

(ক) 'কা' আন্দোলনৰ প্ৰতিচ্ছবি কিমান সজীৱতাৰে উপন্যাসখনত প্ৰতিফলিত হৈছে, সেয়া স্পষ্ট কৰা।

(খ) উপন্যাসখনৰ সৃষ্টিৰ আঁৰত থকা লেখকৰ ৰাজনৈতিক চিন্তা তথা দৃষ্টিভংগী স্পষ্ট কৰা।

**০.০৪ অধ্যয়নৰ পৰিসৰ ঃ**

আমাৰ গৱেষণা পত্ৰখনত জিতুমণি বৰাৰ *জননী* উপন্যাসখনত প্ৰতিফলিত হোৱা 'কা' আন্দোলনৰ প্ৰতিচ্ছবি স্পষ্ট কৰিবৰ বাবে উপন্যাসখনত প্ৰতিফলিত কেৱল ৰাজনৈতিক দিশটোহে গৱেষণা পত্ৰখনৰ পৰিসৰৰ মাজত সামৰি লোৱা হৈছে। উপন্যাসখনত প্ৰতিফলিত হোৱা অন্যান্য দিশসমূহ এই গৱেষণা পত্ৰখনৰ পৰিসৰৰ অন্তৰ্গত নহয়।

**০.০৫ অধ্যয়নৰ পদ্ধতি ঃ**

সামগ্ৰিকভাৱে গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

**০.০৬ তথ্য আহৰণৰ উৎস ঃ**

গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে মুখ্য উৎস হিচাপে জিতুমণি বৰাৰ *জননী* উপন্যাসখনৰ সহায় লোৱা হৈছে। তাৰ লগতে উপন্যাসখনৰ লেখক জিতুমণি বৰাৰ ব্যক্তিগত সাক্ষাৎকাৰকো মুখ্য উৎস হিচাপে গ্ৰহণ কৰা হৈছে। গৌণ উৎস হিচাপে অন্যান্য প্ৰাসঙ্গিক পুথিৰ সহায় লোৱা হৈছে।

**১.০০ বিষয়ৰ মূল আলোচনা ঃ**

সামগ্ৰিকভাৱে বিগত প্ৰায় দুশ বছৰৰ অসমৰ সামাজিক-ৰাজনৈতিক জীৱনলৈ লক্ষ্য কৰিলে দেখা যায় যে, নিজৰ ভাষা-সংস্কৃতি, ঐতিহ্য, স্বাধিকাৰৰ কৰ্তৃত্ব জীয়াই ৰাখিবলৈ প্ৰজন্মৰ পাছত প্ৰজন্ম অসমীয়া মানুহে যুঁজ দি আহিছে। এই যুঁজত কেতিয়াবা এই জাতিটোৱে জয়ী হোৱাৰ উপক্ৰম হৈছে অথবা কেতিয়াবা জাতীয়তাবাদৰ মুখা পিন্ধা এচাম নিজৰ মানুহৰ দ্বাৰাই প্ৰতাৰিতও হৈছে। তাৰ মাজতে কেতিয়াবা সহজ-সৰল এই জাতিটোক এচাম তথাকথিত জাতীয় নেতা-কৰ্মীয়ে আৱেগিক কৰি তোলাও দেখা গৈছে। তথাপিও নিজৰ মাতৃভূমিৰ হৈ প্ৰাণ দিবলৈ কুণ্ঠাবোধ নকৰা জাতিটোৰ স্বাৰ্থত নিজৰ জীৱনটোকো তুচ্ছ জ্ঞান কৰি শ্বহীদ হ'বলৈ সাজু থকা নিজৰ জন্মভূমিক ভালপোৱা অসমীয়া তৰুণৰ যেন অভাৱ হোৱা নাই। এই ভাগৰি নপৰা জাতিটোৰ সংগ্ৰামৰ এখন জীয়া প্ৰতিচ্ছবিয়েই হৈছে জিতুমণি বৰাৰ *জননী* উপন্যাসখন। প্ৰস্তাৱিত গৱেষণা পত্ৰখনত উপন্যাসখনত প্ৰতিফলিত একবিংশ শতিকাৰ দ্বিতীয় দশকৰ শেষ সময়ছোৱাৰ 'কা' আন্দোলনৰ স্পষ্ট ছবি উন্মোচিত কৰিবলৈ কেইটামান দিশক গুৰুত্বপূৰ্ণ দিশক ভিত্তি কৰি আলোচনা আগবঢ়োৱা হৈছে।

**উপন্যাসখনত প্ৰতিফলিত 'কা' গৃহীতকৰণ আৰু অসমৰ ছাত্ৰ সমাজ আৰু ৰাইজৰ প্ৰতিবাদৰ প্ৰসংগ ঃ**

বিজেপি মিত্ৰজোঁট চৰকাৰখনে ২০১৬ চনত লোকসভাত উত্থাপন কৰা নাগৰিকত্ব (সংশোধনী) বিধেয়কখনক ২০১৯ চনত লোকসভা আৰু ৰাজ্যসভাত সংখ্যাগৰিষ্ঠতাৰ ভিত্তিত গৃহীত কৰাৰ পাছত ৰাষ্ট্ৰপতিৰ স্বাক্ষৰ লাভেৰে আইনত পৰিণত কৰিলে। এই বিধেয়কখন আইনত পৰিণত হোৱাৰ লগে লগে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত এই আইনখনৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল। এই আইনখনে অসম আৰু অসমীয়া জাতিলৈ কঢ়িয়াই আনিব পৰা ভয়াবহ বিপদক অসমৰ জনসাধাৰণে মৰ্মে মৰ্মে উপলব্ধি কৰি অসমৰ আকাশ-বতাহ উত্তাল কৰি তুলিলে।[৩] এই আন্দোলনৰ সময়ছোৱাৰ অসমবাসী ৰাইজৰ আৰু অসমৰ ছাত্ৰসমাজৰ স্থিতি তথা প্ৰতিক্ৰিয়াক আমাৰ আলোচিত উপন্যাস *জননী*ত ঔপন্যাসিক জিতুমণি বৰাই কলাত্মক ৰূপত অংকন কৰাৰ প্ৰয়াস কৰিছে। উপন্যাসখনত বৰ্ণিত 'কাল' আইনখন বাস্তৱৰ 'কা' আইনখনৰ অনুৰূপ ধৰণে অৱতাৰণা কৰা হৈছে। উপন্যাসখনত বৰ্ণিত 'কাল' আইনখনৰ গৃহীতকৰণ আৰু তাৰ ফলত অসমৰ ৰাইজ তথা ছাত্ৰসমাজৰ প্ৰতিক্ৰিয়াৰ কেইটামান প্ৰসংগ হৈছে এনেধৰণৰ—

**অসমবাসী ৰাইজৰ প্ৰতিক্ৰিয়া—**

১২ ডিচেম্বৰ, ২০১৯।...গুৱাহাটীকে ধৰি সমগ্ৰ অসমত 'কাল' বিৰোধী আন্দোলনৰ হেন্দোলনি। গুৱাহাটীত সৰ্বত্ৰ সংগঠিত আৰু অসংগঠিতভাৱে 'কাল'ৰ বিৰুদ্ধে পুৱাৰে পৰা প্ৰতিবাদ অব্যাহত আছে। সন্ধিয়া জি এছ ৰোডৰ লগতে গুৱাহাটীৰ আটাইবোৰ পথত অসংগঠিতভাৱে 'কাল'ৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছে। ৰাজপথ অৱৰোধৰে সংগ্ৰামী জনতাই চৰকাৰক 'কাল' অসমৰ বুকুৰ পৰা প্ৰত্যাহাৰ কৰিবলৈ দাবী তুলিছে।[৪]

আমি ইমান দুৰ্বল আৰু কাপুৰুষ নহয় যে আমাক বাংলাদেশী মূলৰ মুছলমানৰ পৰা ৰক্ষা কৰিবলৈ বাংলাদেশী মূলৰ হিন্দু আমদানি কৰিব লাগিব। ইয়াৰ দ্বাৰা অসমক বাংলাদেশলৈ ৰূপান্তৰ কৰাতহে ভাৰতীয় জন দল উঠি পৰি লাগিল।[৫]

শাসকৰ সকলো জল্পনা-কল্পনাৰ ওৰ পেলাই ৰাজপথলৈ আকৌ এবাৰ ওলাই আহিল অসমীয়া মানুহ। জাতীয় আন্দোলনতকৈও সৰ্বাত্মক ৰূপত এইবাৰ অসমীয়াই আত্মপ্ৰকাশ কৰিছে। ঘৰৰ সকলোৱে যুঁজিম আৰু মৰিম নীতি লৈ ইয়াৰ আগতে স্বাধীনতা আন্দোলনতহে ওলাই আহিছিল। আৰক্ষীৰ কোনো বাধা এইবাৰ অসমীয়াই মনা নাই।[৬]

উপন্যাসখনত প্ৰতিফলিত হোৱা এই প্ৰসংগসমূহে 'কা' আইনখন গৃহীতকৰণৰ ফলত অসমৰ ৰাইজৰ শাসকীয় দলৰ প্ৰতি যি ক্ষোভৰ উদগীৰণ হৈছিল, এই সত্যকে প্ৰতিপন্ন কৰে। লগতে উদাত্ত কণ্ঠেৰে অসমবাসী ৰাইজে চৰকাৰৰ বিৰোধিতা কৰি নিজৰ স্থিতি স্পষ্ট কৰা সত্যকো উন্মোচিত কৰিছে। উল্লেখযোগ্য যে, উপন্যাসখনত বৰ্ণিত 'কাল' আইনখনৰ জৰিয়তে লেখকে বাস্তৱৰ 'কা' আইনখনৰ কথাই যে ক'ব বিচাৰিছে, এই কথা উপন্যাসখন অধ্যয়ন কৰা প্ৰত্যেকজন পাঠকে সহজেই অনুধাৱন কৰিব পাৰিব। অসমবাসী ৰাইজে এই আইনখনৰ জৰিয়তে খিলঞ্জীয়াৰ অস্তিত্বলৈ অহাবাৰ সংকট নামি অহাৰ শংকাৰ বাবেই জাতি-মাটি-ভেঁটি ৰক্ষাৰ স্বাৰ্থত স্বতঃস্ফূৰ্তভাৱে এই আন্দোলনত অংশগ্ৰহণ কৰিছিল আৰু নিজৰ লগত হোৱা প্ৰতাৰণাৰ বিৰুদ্ধে ক্ষোভ উজাৰিছিল। এই আন্দোলনটো কোনো এটা দল বা এটা সংগঠন অথবা এজন ব্যক্তিৰ নেতৃত্বত হোৱা নাছিল; অসমৰ ছাত্ৰ সমাজে আৰম্ভ কৰা এই আন্দোলনটোত জাতিক ভাল পোৱা, খিলঞ্জীয়াৰ কথা চিন্তা কৰা, অসম চুক্তিক সন্মান কৰা, জাতি-মাটি-ভেঁটিৰ প্ৰতি সচেতন অসমৰ সৰ্বস্তৰৰ অভিমানী অসমীয়া লোকে স্বতঃস্ফূৰ্তভাৱে অংশ লৈছিল। এই আন্দোলনকাৰী প্ৰতিবাদকাৰীসকলৰ মতে, বিদেশী শৰণাৰ্থীক ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰিলে স্থানীয় খিলঞ্জীয়া লোকসকলে তেওঁলোকৰ 'ৰাজনৈতিক অধিকাৰ, সংস্কৃতি আৰু ভূমিৰ অধিকাৰ' হেৰুৱাই পেলাব।[৭] আমাৰ আলোচিত উপন্যাসখনত প্ৰতিফলিত এই প্ৰসংগসমূহৰ জৰিয়তে লেখক জিতুমণি বৰাই অনুৰূপভাৱে 'কা' আন্দোলনৰ সময়ছোৱাৰ অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটৰ এই ছবিসমূহকে কলাত্মক ৰূপত অংকন কৰি অসমীয়া মানুহৰ জাতীয়প্ৰেম, জাতীয় চেতনাক সন্মান জনাইছে।

**অসমৰ ছাত্ৰসমাজৰ প্ৰতিক্ৰিয়া—**

অসমৰ ৰাজনৈতিক, সামাজিক তথা সাংস্কৃতিক ইতিহাসলৈ চালে দেখা যায় যে, ভাষা আন্দোলন, মাধ্যম আন্দোলন, অসম আন্দোলন ইত্যাদি অসমৰ এই জটিল সমস্যাবোৰত অসমৰ ছাত্ৰ সমাজে সদায় গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। 'কা' আন্দোলনৰ সময়ছোৱাতো ছাত্ৰসমাজৰ সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। ছাত্ৰসকলে ৰাজপথলৈ ওলাই আহি আইনখন বাতিল কৰিবৰ বাবে তীব্ৰ প্ৰতিবাদ কৰিছিল। ছাত্ৰ সমাজৰ এই সক্ৰিয় অংশগ্ৰহণে আন্দোলনটোক এক নতুন মাত্ৰা প্ৰদান কৰিছিল। এই আন্দোলনত বিশেষভাৱে অসমৰ কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। 'কেব' আৰু 'কা' আন্দোলনৰ আৰম্ভণিতে এই আইনখনৰ বিৰোধিতাত কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজৰ লগতে গুৱাহাটীৰ অন্যান্য শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকল জোৰদাৰ প্ৰতিবাদ কৰা দেখা গৈছিল। আমাৰ আলোচিত উপন্যাসখনতো 'কাল' নামৰ ক'লা আইনখনৰ বিৰোধিতাৰে কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজৰ তথা গুৱাহাটীৰ অন্যান্য শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকল প্ৰতিবাদ কৰিবলৈ ওলাই অহা প্ৰসংগৰ প্ৰকাশ পাইছে এইদৰে—

> কালি নিশাৰে পৰা সাৰে আছে কটনৰ আটাইবোৰ ছাত্ৰ-ছাত্ৰী। আগনিশাও তেওঁলোক সাৰে আছিল। আমবাৰীত থকা অসম জাতীয় মঞ্চৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত তেওঁলোকে ধৰ্ণা দিছিল। সংসদৰ মজিয়াত 'কাল' গৃহীত হোৱাৰ লগে লগে কটনৰ ছাত্ৰাবাসত নিশাই হুলস্থূল লাগিছিল। ছাত্ৰাবাসত জুই লাগিলেও কিজানি এনেকুৱা আতংকময় পৰিৱেশৰ সৃষ্টি নহ'লহেঁতেনহু কাল গৃহীত হোৱাৰ লগে লগে কটনৰ কেউটা ছাত্ৰাবাসৰ ছাত্ৰসকলৰ মাজত কন্দা-কটা লাগিছিল। যেন কোনোবা আত্মীয়ক তেওঁলোকে চিৰদিনৰ বাবেই হেৰুৱাইছে![৮]
>
> গুৱাহাটী ক্লাবৰ সমীপৱৰ্তী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিমূৰ্তিৰ সন্মুখত কেইবাহেজাৰ ছাত্ৰ-ছাত্ৰী সমবেত হৈ দিছপুৰ অভিমুখে অগ্ৰসৰ হৈছে। ছাত্ৰ-ছাত্ৰীসকলে শান্তিপূৰ্ণভাৱে ৰাজপথেদি সমদল কৰি 'কাল' বাতিল কৰক, অসমে বাংলাদেশী নাগৰিকৰ বোজা নতুনকৈ বহন নকৰে ধ্বনি দি আগবাঢ়িছে।...ছাত্ৰ-ছাত্ৰীসকলে ডিঙিত আৰু মূৰত গামোচা মাৰি উচ্চ স্বৰত জয় আই অসম ধ্বনি দিছে।...আৰক্ষীয়ে ছাত্ৰ-ছাত্ৰীৰ সমদলটোক বাধা দিয়াৰ চেষ্টা কৰিলে যদিও সফল নহ'ল।[৯]

উপন্যাসখনত প্ৰতিফলিত এই বৰ্ণনাসমূহে অসমৰ জাতীয় আন্দোলনসমূহত ছাত্ৰ সমাজৰ ভূমিকাক সোঁৱৰাই দিয়াৰ লগতে নিজৰ জন্মভূমিক ভাল পোৱা এচাম তৰুণ-তৰুণীৰ অকুণ্ঠ জাতীয় প্ৰেমৰ প্ৰকাশ কৰিছে। আনকথাত

ক'বলৈ গ'লে, উপন্যাসখনত প্ৰতিফলিত এই প্ৰসংগসমূহে নতুন প্ৰজন্মৰ জাতীয় প্ৰেমৰ নিদৰ্শন বহন কৰিছে। জাতিটোৰ কাৰণে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি জীৱনৰ আহুতি দিবলৈ কুণ্ঠাবোধ নকৰা অসমীয়া তৰুণৰ যেন অভাৱ নাই। এই আবেগ, এই সত্যক যেন উপন্যাসখনৰ এই উদ্ধৃতিকেইটাই প্ৰকাশ কৰিছে। বাস্তৱত কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজে ২০১৯ চনত ১১ ডিচেম্বৰত ৰাজ্যসভাত গৃহীত হোৱা 'কেব'ৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ ৰাজপথলৈ ওলাই আহিছিল। আন্দোলনকাৰী ছাত্ৰ-ছাত্ৰীসকল গুৱাহাটী ক্লাবৰ সমীপত থকা লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিমূৰ্তিৰ সন্মুখত 'কা' বাতিলৰ পণ লৈ 'কা' আমি নামানো, 'কা' বাতিল কৰক, জয় আই অসম ধ্বনিৰে গুৱাহাটীৰ আকাশ-বতাহ কঁপাই জনতা ভৱন অভিমুখে আগবাঢ়িছিল। এই সত্য ঘটনাকে লেখকে কলাত্মকৰূপে আমাৰ আলোচিত উপন্যাসখনত অৱতাৰণা কৰিছে।

**উপন্যাসখনত প্ৰতিফলিত 'কা' আইনৰ প্ৰসংগত শিল্পী-সমাজ, চিন্তাবিদ, আইনজ্ঞ তথা সংবাদমহলৰ প্ৰতিক্ৰিয়া :**

'কা' বিৰোধী আন্দোলনত অসমৰ শিল্পী সমাজ, সাহিত্যিক সমাজ, বুদ্ধিজীৱী, আইনজ্ঞ, সংবাদ মহল সকলোৱে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা দেখা গৈছিল। ২০১৯ চনৰ ১২ ডিচেম্বৰৰ দিনা আছুৰ আহ্বানত হাজাৰ হাজাৰ জনতাই সেই সময়ত অসমত বাহাল থকা সান্ধ্য আইন ভংগ কৰি লতাশিল খেলপথাৰত একেলগ হৈ 'কা'ৰ বিৰুদ্ধে প্ৰতিবাদত সৰব হৈ পৰিছিল। তাৰ পিছত ১৫ ডিচেম্বৰত অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ খেলপথাৰত 'অসমৰ শিল্পী সমাজৰ শৈল্পিক প্ৰতিবাদ', ১৬ ডিচেম্বৰত আছুৰ আহ্বানত 'গণ হত্যাগ্ৰহ' কাৰ্যসূচী, ১৭ ডিচেম্বৰত ভাৰতীয় চিকিৎসা সেৱাৰ অসম সন্থাৰ 'চিকিৎসক সমাজৰ প্ৰতিবাদ', ১৯ ডিচেম্বৰত লতাশিল খেলপথাৰত নাৰী সমাজৰ প্ৰতিবাদ, ২০ ডিচেম্বৰত উকীল সন্থাৰ 'ৰাজভৱন চলো' প্ৰতিবাদী সমদল কাৰ্যসূচী তথা ডিব্ৰুগড়, যোৰহাট, শিৱসাগৰ, তিতাবৰ, নলবাৰী, নগাঁৱ ইত্যাদি সমগ্ৰ অসমতে 'কা' বিৰোধী আন্দোলনত অসমৰ খিলঞ্জীয়া ৰাইজে স্বতঃস্ফূৰ্ত আৰু সক্ৰিয় অংশগ্ৰহণ কৰিছিল। ঔপন্যাসিক জিতুমণি বৰাই আমাৰ আলোচিত উপন্যাস *জননী*ত 'কা' আন্দোলনৰ সময়ছোৱাৰ এই বাস্তৱৰ ঘটনাসমূহক কলাত্মকৰূপত উপন্যাসখনত অংকন কৰাৰ প্ৰয়াস কৰিছে। উদাহৰণস্বৰূপে আছুৰ আহ্বানত লতাশিল খেলপথাৰত 'কা'ৰ বিৰুদ্ধে প্ৰতিবাদত যি জনসমাগম হৈছিল আৰু সাহিত্যিক, বিভিন্ন দল-সংগঠনৰ মুখ্য কৰ্মী, অসমৰ জনপ্ৰিয় শিল্পীসকল, অধিবক্তা আৰু সংবাদকৰ্মীয়ে অংশগ্ৰহণ কৰি উদাত্ত কণ্ঠেৰে অসমীয়া ৰাইজক সম্বোধন কৰি 'কা'ৰ বিৰোধিতা কৰিছিল। উপন্যাসখনতো সেইসকলক প্ৰতিনিধিত্ব কৰি কেইটামান অনুৰূপ চৰিত্ৰৰ নিৰ্মাৰ্ণ কৰি ঔপন্যাসিক বৰাই সেই একে পৰিস্থিতি, একে পৰিৱেশৰ অংকন কৰিছে। চৰিত্ৰকেইটাৰ মুখৰ বক্তব্য বহুখিনি বাস্তৱৰ অনুৰূপ আৰু পৰিৱেশ সাপেক্ষ। চৰিত্ৰসমূহৰ মুখৰ এই বক্তব্যসমূহৰ জৰিয়তে জিতুমণি বৰাই 'কা' আন্দোলনৰ সময়ছোৱাৰ অসমৰ বিভিন্ন মহলৰ প্ৰতিক্ৰিয়াক পাঠকৰ আগত তুলি ধৰিছে। উপন্যাসত প্ৰতিফলিত তেনে কেইটিমান প্ৰসংগ হৈছে এনেধৰণৰ—

**অসমৰ বিভিন্ন দল-সংগঠনৰ প্ৰতিক্ৰিয়া—**

'কা' বিৰোধী প্ৰতিবাদী আন্দোলনত সেই সময়ৰ আছুৰ কৰ্মকৰ্তাসকল বিশেষকৈ উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, সম্পাদক লুৰীণজ্যোতি গগৈয়ে সক্ৰিয়তাৰে অংশগ্ৰহণ কৰি আন্দোলনটোক এক নতুন ৰূপ প্ৰদান কৰিছিল। আছু আৰু শিল্পী সমাজে লতাশিল খেলপথাৰ, অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ খেলপথাৰত কৰা 'কা' বিৰোধী প্ৰতিবাদী আন্দোলনৰ প্ৰসংগও উপন্যাসখনত লেখকে প্ৰায় বাস্তৱ ঘটনাৰ সমান্তৰালকৈ বৰ্ণনা কৰাৰ প্ৰয়াস কৰিছে। উপন্যাসখনত 'অসম ছাত্ৰ মঞ্চ' নামৰ অসমৰ বৃহৎ ছাত্ৰ সংগঠনটোৰ উপদেষ্টা উজ্জ্বল চক্ৰৱৰ্তীয়ে ভাৰতীয় জন দলৰ কেন্দ্ৰীয় চৰকাৰখনৰ লগতে প্ৰধানমন্ত্ৰী নৰেন মেহতা আৰু 'কাল' নামৰ ক'লা আইনখনক লক্ষ্য কৰি লতাশিল খেলপথাৰত উদাত্ত ভাষণত কৈছে—

> আমাৰ ওপৰত বলপূৰ্বকভাৱে এখন ক'লা আইন জাপি দিয়া হৈছে। যিখন আইনৰ জৰিয়তে অসমৰ ছবছৰীয়া জাতীয় আন্দোলনক নসাৎ কৰা হৈছে।...অসমৰ ৰাইজৰ লগত কোনো ধৰণৰ আলোচনা নকৰাকৈ, অসমৰ ৰাইজৰ সিদ্ধান্ত বিৰোধ কৰি কেন্দ্ৰীয় চৰকাৰে 'কাল' নামৰ ক'লা আইনখন জাপি দিয়াৰ লগতে অসমলৈ বাংলাদেশৰ পৰা নতুনকৈ নাগৰিক আনিব খুজিছে। যিজন মানুহে ক্ষমতা লাভৰ

পূৰ্বে ২০১৪ চনৰ ১৬ মে'ৰ পাছত অবৈধ বিদেশী নাগৰিকে অসমৰ মাটিৰ পৰা টালি-টোপোলা বান্ধি যাব লাগিব বুলি ৰাজহুৱা সভাত ঘোষণা কৰিছিল, সেইজন মানুহে ক্ষমতা পোৱাৰ পাছত ইয়াক কাৰ্যকৰী নকৰিলে।...অসমে কোনো কাৰণতে এজনো অবৈধ বিদেশী নাগৰিকৰ বোজা গ্ৰহণ কৰিবলৈ ৰাজী নহয়।[১০]

'কা' বিৰোধী প্ৰতিবাদী আন্দোলনত উজনি অসমত সক্ৰিয়তাৰে অংশগ্ৰহণ কৰি সেই সময়ৰ কৃষক মুক্তি সংগ্ৰাম তিৰ সভাপতি অখিল গগৈয়ে আন্দোলনটোক আগুৱাই লৈ গৈছিল। আমাৰ আলোচিত উপন্যাসখনত লেখকে ৱৰ লগত মিল থকাকৈ উদ্দীপ্ত গগৈ নামৰ এনে এটি চৰিত্ৰ নিৰ্মাণ কৰি শিৱসাগৰত হোৱা 'কাল' আইন বিৰোধী ন্দোলনটোৰ প্ৰসংগৰ অৱতাৰণা কৰিছে এনেদৰে—

> ব'ৰ্ডিং খেলপথাৰ। শিৱসাগৰ চৰকাৰী হাইস্কুলৰ নিজা প্লে গ্ৰাউণ্ড। চহৰৰ মাজমজিয়াত অৱস্থিত এই খেলপথাৰখনত আজি ইমান মানুহ সমৱেত হৈছিল যে এটা সময়ত থিয় হ'বলৈ ঠাইৰ অভাৱ হ'ল। তাৰ পাছত 'কাল'ৰ বিৰোধিতা কৰি ৰাজপথেদি আগবঢ়া প্ৰতিবাদী সমদলটোক নেতৃত্ব দিছিল উদ্দীপ্ত গগৈয়ে।[১১]

একেদৰে 'কা' বিৰোধী আন্দোলনটোত অসমৰ একাংশ আইনজ্ঞই আইনখনৰ বিপক্ষে নিজা যুক্তি দাঙি ধৰা দেখা ছিল। আমাৰ আলোচিত উপন্যাসখনতো এনে প্ৰসংগৰ অৱতাৰণা কৰিছে। উপন্যাসখনৰ কাহিনীত গুৱাহাটী উচ্চ ালয়ৰ জ্যেষ্ঠ অধিবক্তা ৰূপ বৰবৰাই কৈছে—

> আমিহে সিহঁতক ৰজা পাতিছিলোঁ। এতিয়া সিহঁতৰ কথা মতে আমি সকলো অন্যায়-অনীতি সহি থাকিম নেকি?...কালৰ বিৰোধ কৰিবৰ বাবে হেজাৰ বাধাকো অসমীয়াই ওফৰাই পেলাব।...আমাক সান্ধ্য আইনৰ ভয় দেখুৱাই ঘৰত বন্দী কৰি থ'ব বিচাৰিলে নহ'ব।...চৰকাৰে জনতাক অন্ধকাৰত ৰাখি বিভিন্ন ধৰণৰ আইন-কানুন আমাৰ ওপৰত জাপি দিছে।[১২]

**অসমৰ বিভিন্ন সংবাদমহলৰ প্ৰতিক্ৰিয়া—**

'কা' আন্দোলনৰ সময়ত অসমৰ লগতে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা দেখা গৈছিল। বহুকেইটা সংবাদ চেনেলত 'কা' আন্দোলনৰ প্ৰতিটো মুহূৰ্ত সবিস্তাৰে সম্প্ৰচাৰ হৈছিল। কেইবাজনো অসমৰ জ্যেষ্ঠ সাংবাদিক-সম্পাদকে এই আইনখনৰ বিৰোধিতাৰে জনসাধাৰণৰ লগত যোগ দিয়াৰ বাবে সংশ্লিষ্ট চেনেলৰ স্বত্বাধিকাৰীয়ে কামৰ পৰা অব্যাহতি দিয়াৰ দৰে ঘটনাও পোহৰলৈ আহিছিল। আলোচিত *জননী* উপন্যাসখনৰ কাহিনীত তিনি দশকৰো অধিক কাল সাংবাদিকতাৰ সৈতে জড়িত অসমৰ এগৰাকী বিশিষ্ট সাংবাদিক তথা অসমৰ স্থানীয় সংবাদ চেনেল এটাৰ মুখ্য সম্পাদক আৰু মানৱ অধিকাৰ কৰ্মী অভিজিৎ ভূঞাই 'কাল' বিৰোধী প্ৰতিবাদী আন্দোলনত অংশগ্ৰহণ কৰি নিজৰ বক্তব্যত কৈছে—

> 'ৰাইজ, আমি আৰু কিমান সহ্য কৰিম! তেওঁলোকে ভোটৰ স্বাৰ্থত কেতবোৰ সিদ্ধান্ত দিল্লীত বহি গ্ৰহণ কৰিব আৰু আমাৰ ওপৰত সেইবোৰ এটা এটাকৈ জাপি দিব। এনেকুৱা কথা হ'ব পায়নে? গণতন্ত্ৰত ৰাইজক সামান্যতমো গুৰুত্ব দিয়া নাই এইখন চৰকাৰে।...কেন্দ্ৰীয় চৰকাৰে জানে নে অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰই একচনীয়া মাটিত ঘৰ সাজি থাকিবলগীয়া হৈছে।...কেৱল নিজৰ বাবে স্থায়ী ভোট বেংক সৃষ্টি কৰিবলৈ গৈ অসমৰ খিলঞ্জীয়া তথা অসমীয়াভাষী লোকসকলক এনেদৰে অপমান কৰাৰ, গুৰুত্বহীন কৰাৰ অধিকাৰ ক'ত পালা?[১৩]

'কা' বিৰোধী আন্দোলনটোক তুঙ্গত তোলাৰ ক্ষেত্ৰত সংবাদ মাধ্যম, ছপা আৰু বৈদ্যুতিক সংবাদ মাধ্যমসমূহৰ সমান্তৰালভাৱে সামাজিক মাধ্যম যেনে- ফেচবুক, ৱাটছ্ এপ্, টুইটাৰতো ব্যাপকভাৱে সম্প্ৰচাৰ হৈছিল। চৰকাৰে 'কা' বিৰোধী আন্দোলনক নিয়ন্ত্ৰণ কৰিবলৈ অসমত সান্ধ্য আইন জাৰি কৰাৰ কাৰণে এটা সময়ত প্ৰতিবাদত অংশ লোৱাৰ ইচ্ছা থকা সত্বেও বহু সাধাৰণ লোক ৰাজপথলৈ ওলাই আহিব পৰা নাছিল। তাৰ মাজতে কিছু লোকে নিজৰ জীৱনকো

চচ কৰি 'কা' প্ৰতিবাদত আন্দোলন চলাই নিছিল আৰু সেই খবৰবোৰ যেতিয়া ছপা আৰু বৈদ্যুতিক সংবাদ মাধ্যমসমূহৰ লগতে ফেচবুক, ৱাটছ্ এপ্, টুইটাৰ ইত্যাদি সামাজিক মাধ্যমবোৰত সম্প্ৰচাৰিত হৈছিল, তেতিয়া সাধাৰণ জনতা ৰাজপথলৈ ওলাই আহিছিল। *জননী* উপন্যাসত ছপা আৰু বৈদ্যুতিক সংবাদ মাধ্যমসমূহৰ জৰিয়তে সম্প্ৰচাৰিত 'কা' বিৰোধী আন্দোলনৰ খবৰৰ প্ৰসংগ প্ৰকাশ পাইছে—

> বিশেষকৈ কাইলৈ লতাশিল খেলপথাৰত অনুষ্ঠিত কৰিবলৈ লোৱা 'কাল' বিৰোধী গণসমাবেশৰ খবৰ অহৰহ নিউজ চেনেলত বাতৰি সম্প্ৰচাৰ হ'বলৈ ধৰিছে। লগতে সামাজিক মাধ্যমত বিশেষকৈ ফেচবুক আৰু হোৱাটছএপত চক্ৰবৰ্তীসহ ছাত্ৰ নেতাসকলৰ ফটো আৰু বক্তব্য ব্যাপক ৰূপত প্ৰচাৰিত হৈছে।

**অসমৰ শিল্পী সমাজৰ প্ৰতিক্ৰিয়া—**

'কা' আন্দোলনক এক বিস্তৃত ৰূপ দিয়াৰ ক্ষেত্ৰত অসমৰ শিল্পী সমাজৰ শিল্পীসকল বিশেষকৈ জুবিন গাৰ্গ, অংগৰাগ মহন্ত, জুবিন, ৰবীন, বিপিন চাওদাং, বৰ্ষাৰাণী বিষয়া ইত্যাদি ব্যক্তিসকলে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। শিল্পী সমাজৰ সক্ৰিয় অংশগ্ৰহণে আন্দোলনটোক এক নতুন গতি প্ৰদান কৰিছিল। আছু আৰু শিল্পী সমাজে লতাশিল খেলপথাৰ, চানমাৰি অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ খেলপথাৰত কৰা 'কা' বিৰোধী প্ৰতিবাদী আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰিছিল। আলোচিত উপন্যাসখনত এই প্ৰসংগও লেখক বৰাই প্ৰায় বাস্তৱ ঘটনাৰ সমান্তৰালকৈ অংকন কৰাৰ প্ৰয়াস কৰিছে। উপন্যাসৰ চৰিত্ৰ সংগীত শিল্পী মানস গগৈয়ে নিজৰ ভাষণত অসমৰ জাতীয় দলৰ পৰা গৈ ভাৰতীয় জন দলত যোগ দি মুখ্যমন্ত্ৰী হোৱা অসমৰ মুখ্যমন্ত্ৰী নিত্যানন্দ দহোটীয়াক এই ক'লা আইনখন বাতিল কৰিবলৈ অনুৰোধ জনাই কৈছে—

> অসমীয়া নতুন প্ৰজন্মক কাৰো ওচৰত মূৰ তল কৰি থাকিবলৈ বাধ্য নকৰিব। নালাগে তেনেকুৱা আইন, যি আইনে অসমীয়াক চিৰদিনলৈ আনৰ ওপৰত নিৰ্ভৰশীল কৰি তুলিব। নালাগে তেনেকুৱা আইন, যি আইনে এটা জাতিক সংখ্যালঘুত পৰিণত কৰিব ! কিয় লাগে সেই আইন, যি আইনে অসমীয়াক দ্বিতীয় শ্ৰেণীৰ নাগৰিকত পৰিণত কৰাৰ বাট মুকলি কৰিব ![১৫]

**উপন্যাসৰ পাতত প্ৰতিফলিত 'কা' আন্দোলনৰ বিপৰীত মূৰত আৰক্ষী প্ৰশাসন আৰু চৰকাৰ স্থিতি:**

উল্লেখযোগ্য যে, নাগৰিকত্ব (সংশোধনী) বিধেয়ক, ২০১৬ই অসম আৰু অসমৰ খিলঞ্জীয়া লোকৰ বিশেষ ক্ষতি সাধন কৰিব বুলি আৰম্ভণি পৰ্যায়তে অসমৰ ছাত্ৰ সমাজ নেতৃবৃন্দ, বৌদ্ধিক সমাজৰ একাংশ তথা কিছুমান বামপন্থী দল-সংগঠনে অসমৰ সাধাৰণ জনতাক চিন্তিত কৰি তুলিলে। নাগৰিকত্ব (সংশোধনী) বিধেয়ক, ২০১৬ই অসম তথা অসমীয়া জাতিক ভয়ানক ক্ষতি কৰিব বুলি মন্তব্য কৰি বিধেয়কখন উত্থাপন হ'বৰ দিন ধৰি আছু, কৃষক মুক্তি সংগ্ৰাম সমিতি, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, বীৰ লাচিত সেনা, অসম সাহিত্য সভা তথা চি.পি.আই (এম), কংগ্ৰেছ আদি বিৰোধী ৰাজনৈতিক দল-সংগঠনসমূহ এই আইনখনৰ বিৰুদ্ধে সৰব হৈ পৰিল। কিন্তু কেন্দ্ৰীয় চৰকাৰে অসমৰ ৰাইজৰ মতৰ বিৰুদ্ধে গৈ 'কা' যেতিয়া অসমবাসীৰ ওপৰত জাপি দিয়াৰ চেষ্টা চলালে, তেতিয়া শাসকীয় চৰকাৰৰ এনে পদক্ষেপৰ প্ৰতিবাদত ৰাজ্যখনৰ জনগণে ইয়াৰ প্ৰতিবাদত উত্তপ্ত পৰিৱেশৰ সূচনা কৰিলে। 'কা' বাতিল কৰক, জয় আই অসম ধ্বনিৰে ৰাজ্যখনৰ ছাত্ৰসমাজ ৰাজপথলৈ ওলাই আহিল আৰু অসমৰ ৰাইজে স্বতঃস্ফূৰ্তভাৱে তেওঁলোকক সহযোগ কৰিলে। ফলত অসমৰ আকাশ-বতাহ 'কা' প্ৰতিবাদী আন্দোলনৰ ধ্বনিৰে মুখৰিত হ'ল। এনে এক অৱস্থাত চৰকাৰে আইন-শৃংখলা অটুট ৰাখিবলৈ আৰক্ষী বাহিনীক মোটায়ন কৰিলে। লগতে অসমত সান্ধ্য আইন প্ৰযোজ্য কৰিলে। আন কথাত ক'বলৈ গ'লে, যিকোনো উপায়েৰে এই আন্দোলন নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষী বাহিনীক শাসকপক্ষই নিৰ্দেশ দিলে। ফলত 'কা' আন্দোলনৰ সময়ত অসম আৰক্ষীৰ ভয়লগা ছবি এখনো অসমবাসীয়ে প্ৰত্যক্ষ কৰিলে। বাস্তৱৰ এনে এক ঘটনাক আলোচিত *জননী* উপন্যাসত লেখকে কাহিনীৰ মাজেৰে বৰ্ণনা কৰিছে এনেদৰে—

> সান্ধ্য আইন, কন্দুৱা গেছ, পানীহিলৈৰ মাজত গুৱাহাটীত এক যুদ্ধসদৃশ পৰিৱেশ। ইখনৰ পাছত সিখন গাড়ীৰ পৰা জি এছ ৰোড, জুৰোডত সেনা নামিছে। আৰক্ষীৰ অসংখ্য গাড়ীয়ে ৰাজপথ পৰিক্ৰমা

আহিছে। সেনাৰ ৪০খনমান গাড়ীয়ে গণেশ মন্দিৰ, লাষ্ট গেট, ছুপাৰ মাৰ্কেট হৈ জনতা ভৱনৰ সন্মুখেদি নিৰৱচ্ছিন্নভাৱে টহল দিছে। মূলতঃ জনতা ভৱনক আন্দোলনকাৰীৰ পৰা ৰক্ষা কৰাটোৱে সেনাৰ মূল লক্ষ্য।[১৬]

দেশ এখনত হোৱা যুদ্ধ-আন্দোলনৰ বিভীষিকাই সাধাৰণতে বিধ্বংসী পৰিৱেশ, শাসক তথা প্ৰতিপক্ষৰ বৰ্বৰতা, হিংসা, অমানৱীয়তা ইত্যাদি কঢ়িয়াই আনে। যাৰ পৰিণতিত বহু নিৰ্দোষী, নিৰীহ লোকে প্ৰাণ হেৰুৱাব লগা হয়। 'কা' আন্দোলনৰ সময়তো দেখা গৈছিল যে, 'কা' আইনৰ বিৰোধিতাৰে শাসকীয় চৰকাৰখনক অকথ্য গালি-গালাজ আৰু ক্ষুৰধাৰ সমালোচনা কৰা শীৰ্ষস্থানীয় একাংশ নেতা-কৰ্মীৰ আচৰণ অনুসৰণ কৰি সাধাৰণ প্ৰতিবাদী জনতা কিছু পৰিমাণে উত্তেজিত হৈ পৰিছিল। আন্দোলনটোত এনে সাধাৰণ প্ৰতিবাদী লোকৰেই তুলনামূলকভাৱে অধিক ক্ষতি হ'ল। আন্দোলনত অংশ লৈ আৰক্ষী-প্ৰশাসনৰ পৰা শাৰীৰিক-মানসিক শাস্তি পোৱা তথা আৰক্ষীৰ গুলীত নিহত হোৱা লোকসকলৰ অধিকাংশই আছিল নিৰীহ লোক। আমাৰ আলোচিত উপন্যাসখনতো লেখকে 'কাল' নামৰ আইনখন বাতিলৰ প্ৰতিবাদত কৰা আন্দোলনত আৰক্ষীয়ে অন্যায় আৰু অমানৱীয়ভাৱে নিৰীহ লোকক কৰা হত্যাক অতি মৰ্মস্পৰ্শীৰূপত তুলি ধৰিছে এনেদৰে—

> চৰকাৰে আন্দোলন অধিক তীব্ৰ হোৱাৰ আতংকত ইন্টাৰনেট সেৱা কৰ্তন কৰিলেও টেলিফোন যোগে লগে লগে হাতীগাঁৱৰ খবৰটো অসমৰ আকাশে-বতাহে বিয়পি পৰিল।...ল'ৰাটোৰ নাম জৰ্জ আছিল। পুলিচৰ খেদাত সি বোলে হাতীগাঁৱৰ ৰাস্তাৰ কাষত শুই দিছিল। তাক চুলিত ধৰি উঠাই লৈ মূৰত পিষ্টল লগাই মাৰি পেলালে।[১৭]
>
> ইমান নৃশংস হৈ পৰিছে এই চৰকাৰখন। গণতান্ত্ৰিকভাৱে ৰাজপথত আন্দোলন কৰা পাঁচজনকৈ যুৱকক গুলীয়াই হত্যা কৰিছে। এইখন ফেচিষ্ট চৰকাৰ। মানুহৰ কোনো কথা এওঁলোকে শুনিব নিবিচাৰে। তেওঁলোকৰ কথাহে মানুহক শুনিবলৈ বাধ্য কৰিব বিচাৰে।[২৭]

ৰাজপথৰ সমান্তৰালভাৱে সামাজিক মাধ্যমতো 'কা' আন্দোলনে অন্য এক তীব্ৰ ৰূপ লাভ কৰিছিল। আন্দোলনৰ সময়ত ক'ত কি হৈছিল তথা পৰৱৰ্তী পদক্ষেপ কি হ'ব সেই সকলো খবৰ সামাজিক মাধ্যমত প্ৰচাৰ হৈ আছিল। অসমৰ জনতাৰ 'কা' আন্দোলনৰ প্ৰতিবাদ নিয়ন্ত্ৰণ কৰিবলৈ সৰ্বতো প্ৰকাৰে চেষ্টা কৰিছিল। সেয়ে সামাজিক মাধ্যমেৰে এই আন্দোলনটো অধিক প্ৰসাৰিত হ'ব নোৱাৰাকৈ চৰকাৰে এই প্ৰতিবাদ শেষ কৰাৰ উদ্দেশ্যে ৰাজ্যৰ কেইবাখনো জিলাত ইন্টাৰনেট সেৱা কৰ্তন কৰিছিল। ৰবাৰ *জননী* উপন্যাসত 'কাল' বিৰোধী আন্দোলনৰ খবৰ সম্প্ৰচাৰ হোৱাত বাধা দিয়াৰ উদ্দেশ্যে চৰকাৰে ইন্টাৰনেট সেৱা কৰ্তন কৰাৰ প্ৰসংগ প্ৰকাশ পাইছে এনেদৰে—

> চৰকাৰে আন্দোলন কণ্ট্ৰ'ল কৰিবলৈ ইন্টাৰনেট কাটি দিয়াৰ পাছত বহু খবৰ আমি পোৱা নাই।...নেট কাটি মানুহৰ ক্ষোভ আৰু সংগ্ৰাম নিয়ন্ত্ৰণ কৰিব বিচাৰিছে।[১৮]

'কা' বিৰোধী আন্দোলনৰ শেষৰফালে চৰকাৰে কেবিনেট অনুষ্ঠিত কৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিলে। প্ৰধানতঃ অসম চুক্তিৰ ছয় নং দফাৰ কাম ৰূপায়ণ কৰা হ'ব বুলি জনোৱাৰ লগতে কৰ্ম সংস্থাপনৰ প্ৰতিশ্ৰুতি দিয়ে আৰু বহুকেইটা শিতানত এককালীন চৰকাৰী সাহাৰ্য্য ঘোষণা কৰিলে। চৰকাৰৰ এই পদক্ষেপে অৱশ্যে 'কা' বিৰোধী আন্দোলনত জংগী হৈ থকা অসমৰ জনসাধাৰণৰ মনবোৰ বহু পৰিমাণে সলনি কৰি পেলালে। ৰবাৰ *জননী* উপন্যাসত এই প্ৰসংগ কলাত্মকৰূপত প্ৰকাশ পাইছে এনেদৰে—

> মুখ্যমন্ত্ৰীয়ে ক'লে— 'আমি চাকৰি দিম। কেৱল চাকৰিয়ে নহয়, অসমৰ ৫০ হাজাৰ নিবনুৱাক গাইপতি ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য দিম। পাঁচশ লেখক-সাংবাদিককো ৫০ হাজাৰ টকাকৈ সাহায্য আগবঢ়াম। দুহেজাৰ লোকশিল্পীক ২৫ হেজাৰকৈ এককালীন সাহায্য দিম।...ছয় নং দফাৰ কথাটোত আটাইতকৈ বেছি গুৰুত্ব দিব। ইয়াত অসমীয়াৰ আবেগ জড়িত হৈ আছে।...যাতে মানুহে কালবিৰোধী আন্দোলন মিছাই কৰিলো বুলি লাহে লাহে অনুভৱ কৰিবলৈ লয়।[১৯]

এনেদৰে আমাৰ নিৰ্বাচিত উপন্যাসখনত লেখকে 'কা' আন্দোলনৰ ছবিখন যথাসম্ভৱ হুবহু ৰূপত তুলি ধৰাৰ যত্ন কৰিছে।

আমাৰ প্ৰস্তাৱিত বিষয়টিৰ সম্পৰ্কে উপন্যাসখন বিশ্লেষণ কৰোঁতে উপন্যাসৰ কিছুমান দুৰ্বল আৰু সবল দিশ প্ৰত্যক্ষ কৰা গৈছে। উপন্যাসখনত প্ৰকাশ পোৱা তেনে কেইটিমান দিশ হৈছে—

**দুৰ্বল দিশ ঃ**

(ক) উপন্যাসখনত 'কা' আন্দোলনৰ বাস্তৱ প্ৰতিচ্ছবি অংকনৰ প্ৰয়াসত লেখকে উপন্যাসখনৰ কলা-কৌশলৰ দিশটোৰ পৰীক্ষণ নকৰা যেন অনুভৱ হয়। উপন্যাসখনত এটা পূৰ্ণ কাহিনী পাবলৈ নাই। উপন্যাসখনৰ কাহিনীটো কিছুমান ধাৰাবাহিক ঘটনাৰ ক্ৰমহে বুলিব পাৰি। ঠিক একেদৰে চৰিত্ৰ চিত্ৰণৰ ক্ষেত্ৰতো লেখকে বিশেষ গুৰুত্ব আৰোপ নকৰিলে। ঔপন্যাসিকে চৰিত্ৰসমূহক সংঘটিত ঘটনাৰাজিৰ বক্তা হিচাপে অংকন কৰিছে। উপন্যাসখনত কোনো এটা চৰিত্ৰকে মুখ্য বা গৌণ চৰিত্ৰ বা টাইপ বা গতিশীল চৰিত্ৰ হিচাপে স্বীকৃতি দিব নোৱাৰি। সেয়েহে উপন্যাসখনত কোনো চৰিত্ৰই বিকাশ লাভ কৰা দেখা নগ'ল।

(খ) উপন্যাসখনত ঔপন্যাসিকে 'কা' আন্দোলনৰ ছবি অংকন কৰিবলৈ কৰাৰ প্ৰয়াসত সংঘটিত হোৱা ঘটনাৰাজি, ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশৰ পৰিসংখ্যাসমূহ, দিন-বাৰ ইত্যাদি তথ্যপাতিসমূহ উপন্যাসখনত এনেদৰে তুলি ধৰিছে যিবোৰ বাস্তৱৰ একেবাৰেই অনুৰূপ আৰু কোনোবাখিনিত এই বৰ্ণনা 'কা' আন্দোলনৰ তথ্যৰ দলিল যেন অনুভৱ হয়। তথ্যসমূহৰ সবিশেষ ব্যাখ্যা আৰু বৰ্ণনাই কাহিনী সাহিত্য হিচাপে উপন্যাসখনৰ থাকিবলগা বিশেষত্ব, শৈল্পিক দিশ আৰু ৰসাস্বাদনত ব্যাঘাত জন্মাইছে।

(গ) উপন্যাসখনৰ একাধিক স্থানত ৰাজনৈতিক ঘটনাৱলীৰ তথ্যসমলৰ পুনাৰবৃত্তি ঘটিছে। যি উপন্যাসখনৰ কলাত্মক দিশৰ এটা ডাঙৰ ত্ৰুটি। একোটা অনুচ্ছেদত একেকেইটা পদকে বাৰে বাৰে দোহাৰি থকাত ভাৱ প্ৰকাশ ক্ষমতাত বাধা আহি পৰিছে।

**সবল দিশ ঃ**

(ক) উপন্যাসখনক ভিন্ন দৃষ্টিকোণৰ পৰা শ্ৰেণীকৰণ কৰিব পাৰি। বিষয়বস্তুৰ দিশৰ পৰা উপন্যাসখনক তথ্যভিত্তিক অথবা ঘটনাবহুল উপন্যাস, উপস্থাপনৰ দিশৰ পৰা বৰ্ণনাধৰ্মী উপন্যাস আৰু সময়ৰ দৃষ্টিকোণৰ পৰা যুগভিত্তিক উপন্যাস বুলিব পাৰি।

(খ) উপন্যাসখনৰ প্ৰতিটো পৃষ্ঠাতে স্পষ্ট ৰূপত প্ৰকাশ পাইছে লেখকৰ প্ৰখৰ সমাজচেতনা আৰু জাতীয়তাবোধ। সাংবাদিক হিচাপে প্ৰতিটো ঘটনাৰ শিপালৈকে তন্নতন্নকৈ বিশ্লেষণ কৰি গোটোৱা অভিজ্ঞতাক জিতুমণি বৰাই সুন্দৰভাৱে উপন্যাসখনত প্ৰয়োগ কৰিছে। সেয়েহে উপন্যাসখনত এনে কিছুমান ঘটনাই বিষয়বস্তু হিচাপে ঠাই পাইছে, যিবোৰে অসমৰ ৰাজনীতিৰ কিছুমান দিশৰ বাস্তৱ সত্যক উন্মোচিত কৰি বৰ্তমানৰ পঢ়ুৱৈ সমাজৰ লগতে ভৱিষ্যৎ প্ৰজন্মৰ বাবে সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত চিন্তাৰ বাট মুকলি কৰিব ।

(গ) উপন্যাসখনত পোনপটীয়া বৰ্ণনাধৰ্মী শৈলীৰে 'কা' আন্দোলনৰ সময়ছোৱাৰ অসমৰ সমাজ, ৰাজনীতি আৰু জাতীয়তাবোধৰ নিদৰ্শন কলাত্মক ৰূপত প্ৰকাশ পাইছে। বিশেষকৈ অসমৰ ছাত্ৰসমাজৰ জাতীয়তাবোধ আৰু দেশপ্ৰেমৰ প্ৰতিচ্ছবি স্বচ্ছ প্ৰকাশ ঘটিছে।

(ঘ) উপন্যাসখনত সহজ-সৰল আৰু পোনপটীয়া ভাষাৰে 'কা' আন্দোলনৰ সমসাময়িক যিবোৰ ঘটনা বৰ্ণনা কৰিছে সেই ঘটনাসমূহ আৰু তাৰ লগত জড়িত চৰিত্ৰসমূহ বাস্তৱৰ নিচেই অনুৰূপ। এজন পঢ়ুৱৈয়ে উপন্যাসখন পঢ়িলে অতি সহজে অনুমান কৰিব পাৰিব যে, প্ৰকৃততে নিত্যানন্দ দহোটীয়া, পৃথিৱী শৰ্মা, উজ্জ্বল চক্ৰৱৰ্তী, লক্ষ্যজ্যোতি গগৈ, কৃষক নেতা উদ্দীপ্ত গগৈ, পৰেশ শ্বাহ, পি.জি. সিং, ডি জি পি ভগীৰথ মহন্ত ইত্যাদি উপন্যাসৰ চৰিত্ৰই বাস্তৱৰ কোনকেইজন ব্যক্তিক প্ৰতিনিধিত্ব কৰিছে।

(ঙ) উপন্যাসখনত বৰাই চৰিত্ৰসমূহৰ জৰিয়তে অসমীয়া জাতিটোৰ দুই ধৰণৰ মানুহক অংকন কৰিছে। এটা হৈছে

অসমীয়া মানুহৰ বিশ্বাসভাজন হৈ শাসনলৈ আহি নিজৰ জাতিটোকে খুলি খুলি খোৱা অসমৰ নেতাসকল আৰু আনটো হৈছে নিজৰ জাতিটোক পোহৰাই তুলিবলৈ দিন-ৰাতি একাকাৰ কৰা প্ৰকৃত অসম সন্তানসকল। অহংকাৰত মত্ত হৈ পৰা নিলাজ নেতাৰ আত্মবন্দনা আৰু নিজ মাতৃভূমি তথা জাতি-ভাষা-সংস্কৃতি ৰক্ষা কৰিবলৈ গৈ প্ৰাণ আহুতি দিয়াসকলৰ বিষাদ গাঁথাৰে উপন্যাসখনৰ প্ৰতিটো পৃষ্ঠা ভৰি আছে।

**সিদ্ধান্ত ঃ**

আমাৰ গৱেষণা পত্ৰখনত প্ৰস্তাৱিত বিষয়ৰ বিশ্লেষণৰ অন্তত কেইটিমান সিদ্ধান্তত উপনীত হ'ব পাৰি। সেইকেইটা হৈছে—

- সামাজিক দায়বদ্ধতা আৰু জাতীয় চেতনাৰে উদ্বুদ্ধ জিতুমণি বৰাই এই উপন্যাসখনৰ জৰিয়তে 'কা' আন্দোলনৰ সময়ৰ অসমৰ সমাজ-ৰাজনীতিৰ দৰ্পণ অংকন কৰিছে। অসমৰ জাতীয়তাবাদী দল-সংগঠনৰ তথাকথিত নেতাসকল আৰু ক্ষমতাৰে স্বেচ্ছাচাৰী হৈ উঠা ৰাজনীতিবিদ্‌সকলে এই দাপোনত নিজক চাই আত্মসমালোচনাৰে সংশোধনৰ পথত অগ্ৰসৰ হ'ব পাৰে। আমাৰ ভৱিষ্যৎ প্ৰজন্মই এই উপন্যাসখন অধ্যয়ন কৰিলে অসমৰ 'কা' আন্দোলনৰ সময়ছোৱাৰ এখন অকথিত ছবিখন অনুধাৱন কৰিব পাৰিব। ভৱিষ্যৎ প্ৰজন্মই উপন্যাসখনৰ জৰিয়তে এইছোৱা সময়ৰ ইতিহাসক অনুধাৱন কৰি বৰ্জনীয়খিনি পৰিহাৰ কৰি সুস্থ আদৰ্শৰে দেশমাতৃৰ সেৱা কৰাৰ পথ আৱিষ্কাৰ কৰিব পাৰিব।
- উপন্যাসখনৰ শেষত জিতুমণি বৰাই জাতীয়তাবাদক অনুকৰণ কৰা অসমৰ দল-সংগঠনসমূহে জাতিটোৰ বাবে এই কুটিল ৰাজনৈতিক শক্তিৰ বিপৰীত মূৰত যুঁজি থাকিলেও এই বৈতৰণীৰ মেৰপাকৰ পৰা যে নিজকে কেতিয়াও মুক্ত কৰিব নোৱাৰে, এই সত্যৰ প্ৰকাশ কৰি নিজৰ অৱসাদ প্ৰকাশ কৰিছে।
- উপন্যাসখনে জিতুমণি বৰাক এজন নিৰ্ভীক, আপোচবিহীন লেখক হিচাপে প্ৰতিপন্ন কৰে। উপন্যাসখনত অসমৰ ৰাজনীতিৰ এনে কিছুমান সত্য ঘটনাত পোহৰ পেলাবলৈ প্ৰয়াস কৰা হৈছে, যিবোৰ ঘটনা বলিষ্ঠ ৰূপত প্ৰকাশ কৰিবলৈ সৎ সাহস আৰু গভীৰ দেশপ্ৰেমৰ প্ৰয়োজন। উপন্যাসখনত কাহিনীৰ পূৰ্ণতা, বিষয়বস্তুৰ চুম্বকীয় আকৰ্ষণ, চৰিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত দুৰ্বলতা থাকিলেও উপন্যাসখনৰ প্ৰতিটো পৃষ্ঠাই বহন কৰিছে লেখক জিতুমণি বৰাৰ দেশপ্ৰেম আৰু জাতীয়তাবোধৰ নিদৰ্শন। জাতিৰ অস্তিত্বৰ অৱক্ষয় হ'বলৈ ধৰাৰ মূল কাৰ্যকাৰণক লেখকে কৌশলপূৰ্ণভাৱে উপন্যাসখনত অৱতাৰণা নকৰি নিৰপেক্ষভাৱে কঠোৰ বাস্তৱক সাৱলীলভাৱে তিৰ্যক ৰূপত বিবৃত কৰিছে। সেয়েহে জাতীয়তাবাদেৰে উদ্বুদ্ধ প্ৰতিজন লোকৰ বাবে বৰাৰ এই উপন্যাসখন প্ৰেৰণাৰ উৎস হোৱাৰ বিপৰীতে জাতীয়তাবাদৰ মুখা পিন্ধা আৰু খিলঞ্জীয়াৰ অস্তিত্বক মষিমূৰ কৰিব বিচৰা প্ৰতিটো দুষ্ট শক্তিৰ বাবে প্ৰচণ্ড হুংকাৰ স্বৰূপ।
- জাতীয় চেতনাসম্পন্ন জিতুমণি বৰাৰ *জননী* উপন্যাসখন এজন জাতীয়তাবাদেৰে উদ্বুদ্ধ খিলঞ্জীয়াৰ আৱেগ-অনুভৱেৰে সমৃদ্ধ ৰচনা; ইয়াত জাতীয় আৱেগতকৈ যুক্তিৰ অৱকাশ তুলনামূলকভাৱে তাকৰ।

**উপসংহাৰ ঃ**

সংবাদ জগতৰ যিকেইজন ব্যক্তিয়ে অসমীয়া উপন্যাস সাহিত্যত জনপ্ৰিয়তা অৰ্জন কৰিছে, সেইসকলৰ তৰুণ চামৰ ভিতৰত জিতুমণি বৰাও অন্যতম। অসমৰ ৰাজনৈতিক ইতিহাসৰ 'কা' আন্দোলনৰ সময়ছোৱাৰ ঘটনা-পৰিঘটনাসমূহক লৈ এইগৰাকী সমাজ সচেতন সাংবাদিকে উপন্যাস ৰচনা কৰি সেই সময়ছোৱাৰ জটিলতাক বৰ্তমানৰ নৱপ্ৰজন্মই অনুধাৱন কৰিব পৰাকৈ কাহিনী সাহিত্যৰ জৰিয়তে কলাত্মক ৰূপত সজীৱতাৰে তুলি ধৰাৰ প্ৰয়াস কৰিছে। *জননী* উপন্যাসখন ইয়াৰ এক উৎকৃষ্ট নিদৰ্শন বুলিব পাৰি। উপন্যাস বা কথা সাহিত্যত ৰচিত সকলো কথা বা কাহিনী বাস্তৱৰ সৈতে সম্পৰ্কিত নহ'বও পাৰে। সেয়ে হ'লেও পোনপটীয়া বলিষ্ঠ ভাষাৰে আমাৰ নিৰ্বাচিত উপন্যাসখনত লেখকে অসমৰ ৰাজনীতিৰ বহু নিৰ্লজ্জ সত্যক কাহিনীৰ মাজেৰে উদঙাই দেখুৱাইছে। যিবোৰে অসমৰ ৰাজনীতিৰ বহু গোপন তথ্য উন্মোচিত কৰাৰ সম্ভাৱনা আছে। গতিকে এই দৃষ্টিকোণৰ পৰা চালে অসমৰ ৰাজনীতিৰ 'কা' আন্দোলনৰ বহু সত্যক অনুধাৱন কৰাৰ ক্ষেত্ৰত আমাৰ নিৰ্বাচিত জিতুমণি বৰাৰ *জননী* উপন্যাসৰ প্ৰাসংগিকতা সদায় থাকিব।

**অন্ত্যটীকা ঃ**

১. *Times of India*. "CAB set to be law as RS passes it 125-99, indefinite curfew and Army in Guwahati." Dec 12, 2019
URL < https://timesofindia.indiatimes.com/india/cab-set-to-be-law-as-rs-passes-it-125-99-indefinite-curfew-and-army-guwahati/articleshow/72481979.cms>

২. জিতুমণি বৰাৰ সৈতে ব্যক্তিগত সাক্ষাৎকাৰ।

৩. গগৈ, টুনুজ্যোতি ঃ *১৮২৬ ইয়াণ্ডাবু সন্ধিৰ পৰা 'কা' বিৰোধী আন্দোলনলৈ*, পৃ.১৫৮

৪. বৰা, জিতুমণি ঃ *জননী*, পৃ.১৬৩

৫. সদ্যোক্ত, পৃ.৭

৬. সদ্যোক্ত, পৃ.১৪৩

৭. *The Indian Express*. "Explained: Why Assam, Northeast are angry." Jan 18, 2019.
URL <https://indianexpress.com/article/explained/assam-protests-citizenship-amandment-bill-nrc-northeast-bandh-5543785

৮. সদ্যোক্ত, পৃ.১৭

৯. সদ্যোক্ত, পৃ.১৩-১৪

১০. সদ্যোক্ত, পৃ.৭৬-৭৭

১১. সদ্যোক্ত, পৃ.৪৫

১২. সদ্যোক্ত, পৃ.৮৬

১৩. সদ্যোক্ত, পৃ.৮০-৮১

১৪. সদ্যোক্ত, পৃ.৬৯

১৫. সদ্যোক্ত, পৃ.৮৬

১৬. সদ্যোক্ত, পৃ.১১৮

১৭. সদ্যোক্ত, পৃ.১৬৪

১৮. সদ্যোক্ত, পৃ.১২৫

১৯. সদ্যোক্ত, পৃ.১৯০

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

গগৈ, টুনুজ্যোতি। *১৮২৬ ইয়াণ্ডাবু সন্ধিৰ পৰা 'কা' বিৰোধী আন্দোলনলৈ*। গুৱাহাটী ঃ জে এছ পাব্লিকেশ্যনছ, প্ৰথম প্ৰকাশ। ২০২০। মুদ্ৰিত।

গোহাঁই, হীৰেন, দিলীপ বৰা (সম্পা.)। *অসম আন্দোলন প্ৰতিশ্ৰুতি আৰু ফলশ্ৰুতি*। গুৱাহাটী ঃ বনলতা, তৃতীয় সংস্কৰণ। ২০২০। মুদ্ৰিত।

তালুকদাৰ, মৃণাল আৰু কিশোৰ কুমাৰ কলিতা। *স্বৰাজোত্তৰ অসম (১৯৪৭-২০১৯)*। গুৱাহাটী ঃ জাগৰণ সাহিত্য প্ৰকাশন, দ্বিতীয় প্ৰকাশ। ২০১৯। মুদ্ৰিত।

নাথ, মনোজ কুমাৰ। *অসম আন্দোলন*। গুৱাহাটী ঃ আঁক-বাক, দ্বিতীয় প্ৰকাশ। ২০১৯। মুদ্ৰিত।

বৰা, জিতুমণি। *জননী*। গুৱাহাটী ঃ জ্যোতি প্ৰকাশন, প্ৰথম প্ৰকাশ। ২০২০। মুদ্ৰিত।

মহন্ত, মানস কুমাৰ। *অসমীয়া জাতীয়তাবাদৰ ইতিহাস*। গুৱাহাটী ঃ জাগৰণ সাহিত্য প্ৰকাশন, প্ৰথম প্ৰকাশ। ২০১৭। মুদ্ৰিত।

**সাক্ষাৎকাৰ ঃ**

বৰা, জিতুমণি। ব্যক্তিগত সাক্ষাৎকাৰ। ১৮ অক্টোবৰ, ২০২২ চন। প্ৰাগ্ নিউজ ডিজিটেল কাৰ্যালয়, গুৱাহাটী।